লজ্জা হৈছে ঈমানৰ অংগ

আব্দুল্লাহ ইবনে ওমৰ -ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ কোনো এজন ব্যক্তিয়ে তাৰ ভায়েকক লজ্জা সম্পৰ্কে উপদেশ দি আছিল, (অৰ্থাৎ তাক বেছি লাজ কৰিবলৈ
নিষেধ কৰি আছিল) এই কথা শুনা পাই নবী চাল্লাল্লাহু ‘আলাইহি অছাল্লামে ক'লে: “লজ্জা
হৈছে ঈমানৰ অংগ।”
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

কোনো এজন ব্যক্তিয়ে তাৰ ভাতৃক অধিক লজ্জা পৰিহাৰ কৰিবলৈ উপদেশ দি আছিল। এই কথা শুনা পাই নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তাক ক'লে, লজ্জা হৈছে ঈমান অংগ। লজ্জাই মানুহৰ কাৰণে কল্যাণ কঢ়িয়াই আনে। লজ্জাশীলতা হৈছে এটা উত্তম চৰিত্ৰ, যিয়ে ভাল কাম কৰিবলৈ আৰু বেয়া কাম পৰিহাৰ কৰিবলৈ উৎসাহিত কৰে।

http://www.sunnah.global/hadeeth/as/show/5478